## মন-কুঁৱলী সময়

কাতি মাহৰ এটা ধোঁৱা ৰাতিপুৱা
কুঁৱলী গলি ভাঁহে
এই পুৱা যেন অতীত জীৱন
(এবছৰ বয়সীয়া)
পুনৰ যাপন
কৰি উঠিলোঁ । কাৰণ—
যোৱা বছৰ এনে পুৱা
উঠিছিলোঁ নতুন হামিয়াই,
থকা-নথকা এক পলকৰ দলঙত
সময় বন্ধ হৈ যায় । (?)......

এদিনাখন এটা ধেকুৱা কুকুৰে মুখত মঙহ লৈ
বুকুত খামোচ মাৰি ধৰি আছিল কামৰূপৰ মেপ নিনিয়া ভয় ।
আৰু, সংক্ষেপে
সেই নীৰৱ গধূলি পথাৰৰ মাজত অকলে থিয় হোৱা
চাৰিওফালে পথাৰ পথাৰ
বুকুত খামোচ
দূৰৰ গাঁৱৰপৰা গুণগুণকৈ ধোঁৱা
উৰিছিল ।

নীলমণি ফুকন

# ব্ৰহ্মপুত্ৰত সূৰ্য্যাস্ত

শূন্যতাৰ হাতৰপৰা সৰি পৰিল
দিনৰ হিৰণ্ময় হৃদয়-পাত্ৰ
নিঃশব্দে সৰি পৰিল
আৰু বুৰ গ'ল

বুৰবুৰণিত বিৰিঙি উঠিল
পাত্ৰৰ ৰক্তিম আধেয়
মৰ্মন্তুদ তাৰ উজ্জ্বলতা
মানুহৰ অন্তিম লালসাৰ
কি প্ৰজ্জ্বলন !

এতিয়া উলটিল প্ৰতিজন দৰ্শক
উক দিলে প্ৰত্যেকৰে একে বিষ
ধোঁৱা আৰু আন্ধাৰৰ আকাশী খলপাৰে
নামিল স্বয়ং শূন্যতা
নামিল হৃদয়ৰ শূন্যতা

# মনোৰমা

চকুত তোমাৰ সপোনৰ মায়া
　　মুখত জোনৰ বিমল ছাঁ,
নিশাহত যেন কোমল ঘাঁহৰ
　　সুৰভিৰে পূৰ মৃদুল বা ।
ক'লা চুলিটাৰি, কোনে সানি দিলে
　　আঁউসী নিশাৰ সুষমা তাত ?
কেতিয়া শিকালে কপৌৰেনো তাৰ
　　মন কিবা কৰা উৰুঙা মাত ?
আগ বাৰিষাৰ বা ৰিব্‌ৰিব্‌
　　বতাহৰ দৰে তোমাৰ হাঁহি,
উলাহতে তাৰ নাচিছে কলং
　　বিহ মেটেকাই মেলিছে পাহি ।
দহোটি আঙুলি চঁপা-কলি যেন
　　পদুমৰ ঠাৰি দুখনি হাত,
ছুই দোৰপতি থৰকব্‌ৰক্‌
　　তত নাইকিয়া মাকোৰ গাত ।
নিপোটল বুকু লাটুমণি ওঁঠ
　　দুয়োপাৰি দাঁত ডালিমগুটি,
মৰুময় মোৰ জীৱনত সখী !
　　তুমি কবিতাৰ একেটি সুঁতি ।

## পলস

পলাশৰ জুই নুমাল এতিয়া । শাল আৰু চতিয়ন
বনত মানৰ দিনৰ অতীত বহাগৰ ধুমুহাৰ
কিমান সপোন সৰি গ'ল তাৰ কোনে ৰাখে খতিয়ন ?
কলঙও কপিলী দিজুৰ পাৰত ককাদেউতাৰ হাড় ।
বুঢ়ী আইতাৰ কলিজাৰে গজে বন-নহৰুৰ ফুল ।

ডাৱৰে কি ক'লে ঃ দিয়া আৰু দিয়া, নিঃশেষকৈ দিয়া
আলিৰ কাণত গছপুলি ৰোৱা, এটা হাইস্কুল খোলা;
পথিক প্ৰিয় যে সদায়ে বাটত, কাঢ়া দুটা হুমুনিয়া !
উৰুখা পানীয়ে উটাই নিয়ক মৰা মকৰাৰ খোলা ।
আমাৰ পলসে সাৰুৱা কৰক কলঙৰ দুটি কূল !

আমাৰ নাতিৰ নতুন পামৰ নাঙলৰ সীৰলুত
আমি সাৰ পাম । সিহঁতে পঢ়িব আমাৰ জীৱাশ্মত
জাতিস্মৰৰ হাঁহি উঠা সাধু । সপোন-অন্ধ যি গলিত
আমি থাকোঁ তাৰে নয়নাজুলিত আমাৰ ভৱিষ্যৎ ।

# গোলাপ

কবি: ৰঘুনাথ চৌধাৰী

কাৰ পৰশত ফুলিলি বান্ধৈ
অ' মোৰ আদৰী ফুলাম পাহি?
শ্যামলী পাতৰ ওৰণী ওচাই
কাৰ ফালে চাই মাৰিলি হাঁহি?

কোন নন্দনত লাগিল চমক,
নাচিছে য'ত পৰী বুলবুল
অভিশপ্ত হৈ বিলাসী কুঞ্জতে
প্ৰেম মদিৰাত যেন মচগুল।

হাচনাহানাৰ তীব্ৰ গন্ধত
সপোন-বিভোৰ মাধৱী নিশা,
তোৰ পৰশত বিৰহী জোনৰ
পলাল নে প্ৰিয় প্ৰাণৰ তৃষা?

আৰব পিয়াৰী বচৰা হীনাৰ
উজল বদনে পোহৰালি জুৰ;
তাহি ফুৰে তোৰ ৰূপ ভৰাংগত
পাপিয়াৰ স্নিগ্ধ কৰুণ সুৰ?